**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-03-2026 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য সংকটৰ পৰা পৰিত্ৰাণৰ বাবে প্ৰধানমন্ত্ৰীৰ ৰাজ্যসমূহক সহযোগিতাৰ আহ্বান।

২। বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহৰ আজি বৈধতা পৰীক্ষা। ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

৩। ৫খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য সচিব, মুখ্য নিৰ্বাচনী বিষয়া, আৰক্ষী সঞ্চালক প্ৰধান তথা জ্যেষ্ঠ বিষয়াসকলৰ সৈতে নিৰ্বাচন আয়োগৰ পৰ্যালোচনা বৈঠক।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশ্ব যক্ষ্মা ৰোগ দিৱসৰ কাৰ্যসূচী গ্ৰহণ।

আৰু

৫। দক্ষিণ আফ্ৰিকাত হ'বলগীয়া দ্বি-দেশীয় টি-২০ শৃংখলাৰ ভাৰতীয় দলত অসমৰ উমা চেত্ৰীৰ স্থান লাভ।

০০০০০০

মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য যিকোনো সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছে। আজি ৰাজ্যসভাত দিয়া ভাষণত শ্ৰী মোদীয়ে কয়, যে তিনি সপ্তাহতকৈ অধিক সময় অতিবাহিত হোৱা মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতৰো ব্যৱসায়িক ক্ষেত্ৰত প্ৰভাৱ পৰিছে। খাৰুৱা তেল, গেছ আদিৰ আমদানি প্ৰভাৱিত হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। হৰমুজ প্ৰণালীত বিভিন্ন দেশৰ জাহাজ আৱদ্ধ হৈ আছে আৰু এই জাহাজসমূহত ভাৰতৰ বহু সদস্য কৰ্মী হিচাপে আছে বুলি শ্ৰী মোদীয়ে উদ্বেগ প্ৰকাশ কৰে। এইক্ষেত্ৰত সকলোকে সংযম আৰু পাৰস্পৰিক সহযোগিতা ৰক্ষা কৰি চলিবলৈ শ্ৰী মোদীয়ে আহ্বান জনায়।

বাইট

শ্ৰী মোদীয়ে কয়, যে পশ্চিম এছিয়াৰ প্ৰতি লক্ষ্য ৰাখি দেশত প্ৰয়োজনীয় গেছ আৰু তেলৰ যোগান অটুত ৰাখিবলৈ ভাৰতে বিভিন্ন দেশৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। প্ৰধানমন্ত্ৰীয়ে কালি লোকসভাত মধ্য প্ৰাচ্যৰ শেহতীয়া পৰিস্থিতিক লৈ দিয়া বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ এই যুদ্ধকালীন পৰিস্থিতিত ভাৰতত হোৱা পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ নাটনি উদ্বেগজনক বুলি অভিহিত কৰি সুদূৰপ্ৰসাৰী পৰিস্থিতিৰ বাবে দেশ সাজু থাকিব লাগিব বুলি উল্লেখ কৰে। দেশত সম্প্ৰতি ৫৩ লাখ মেট্ৰিকটন পেট্ৰ'লিয়াম জমা আছে আৰু এই ভাণ্ডাৰ ৬৫ লাখ মেট্ৰিকটনলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। দেশৰ শোধন ক্ষমতা বৃদ্ধি কৰাৰ সমান্তৰালভাৱে খাৰুৱা তেল মজুতকৰণৰ অগ্ৰাধিকাৰ দিয়া হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

______বিধানসভা নিৰ্বাচনৰ বাবে দাখিল হোৱা মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হৈছে। কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে দাখিল কৰা মনোনয়ন পত্ৰ পৰীক্ষণ প্ৰক্ৰিয়া নিৰ্বাচনী বিষয়াই অব্যাহত ৰাখিছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ডিমৰীয়া সমষ্টিৰ অসম গণ পৰিষদৰ প্ৰাৰ্থী ডঃ তপন

দাস, কংগ্ৰেছৰ কিশোৰ কুমাৰ বৰুৱা, নিৰ্দলীয় প্ৰাৰ্থীসকল, মধ্য গুৱাহাটীৰ বিজেপিৰ প্ৰাৰ্থী বিজয় কুমাৰ গুপ্তা, অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী কুংকি চৌধুৰী, আম আদমি পাৰ্টীৰ অনুৰূপা ডেকাৰজাকে ধৰি প্ৰাৰ্থীসকলৰ মনোনয়ন বৈধ বিবেচিত হৈছে। নিউ গুৱাহাটীত বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মা, কংগ্ৰেছৰ শান্তনু বৰা, দিছপুৰত বিজেপিৰ প্ৰদ্যুৎ বৰদলৈ, কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামী আৰু নিৰ্দলীয় প্ৰাৰ্থী জয়ন্ত কুমাৰ দাসৰ মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। জালুকবাৰীত বিজেপিৰ ডঃ হিমন্ত বিশ্ব শৰ্মা, কংগ্ৰেছৰ বিদিশা নেওগ আৰু নিৰ্দলীয় প্ৰাৰ্থী দীপিকা দাসৰ মনোনয়ন বৈধ বিবেচিত হৈছে। মাজুলী জিলাত আজি মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত আটাইকেইগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে। বিজেপিৰ ভূবন গাম, কংগ্ৰেছৰ ইন্দ্ৰনীল পেগু আৰু এছ ইউ চি আইৰ ভাইটী ৰিছঙৰ প্ৰাৰ্থিত্ব নিশ্চিত হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাত মনোনয়ন দাখিল কৰা সাতগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পৰীক্ষাৰ অন্তত আটাইকেইগৰাকীৰে মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। বজালী জিলাত দুটা সমষ্টিৰ বাবে দাখিল হোৱা ১০ খন মনোনয়নৰ ভিতৰত এখন বাতিল হৈছে। মনোনয়ন পৰীক্ষাৰ অন্তত ভৱানীপুৰ সৰভোগ সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী মহম্মদ ৰহমান আলীৰ মনোনয়ন বাতিল কৰা হৈছে। ভৱানীপুৰ সৰভোগ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাস, চি পি আই এমৰ মনোৰঞ্জন তালুকদাৰ, এ আই ইউ ডি এফৰ ফাৰহাদ আলীকে ধৰি ছগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। বজালী সমষ্টিৰ ধৰ্মেশ্বৰ ৰায়, অসম জাতীয় পৰিষদৰ দিলীপ বৰুৱা আৰু তৃণমূল কংগ্ৰেছৰ কল্যাণী কলিতাৰ মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। দৰং জিলাত মনোনয়ন পত্ৰ পৰীক্ষণৰ পাছত দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছে। জিলাখনত ভোটাৰ্ছ পাৰ্টী ইণ্টাৰনেচনেলৰ চাইফুল চৌধুৰী আৰু নিৰ্দলীয় প্ৰাৰ্থী দিলীপ কুমাৰ বনিয়াৰ মনোনয়ন নাকচ হৈছে। জিলাখনত ১৯ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। ডিব্ৰুগড় জিলাৰ ছটা বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা ২৪ খন মনোনয়ন বৈধ হিচাপে বিবেচিত হৈছে। কাৰ্বি আংলং জিলাৰ বোকাজান সমষ্টিত আজি প্ৰতাপ সিং ৰংফাৰ নামৰ প্ৰাৰ্থীগৰাকীৰ মনোনয়ন নাকচ হয়।

উল্লেখযোগ্য যে কালি অন্তিম দিনালৈ মুঠ ১২৬টা সমষ্টিৰ বাবে ৮১৮ গৰাকী প্ৰাৰ্থীয়ে এহেজাৰ ৩৯১ খন মনোনয়ন পত্ৰ দাখিল কৰিছিল। পৰহিলৈ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০০০

নিৰ্বাচন হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত শান্তি শৃংখলা বৰ্তাই ৰখাৰ বাবে সীমান্ত বন্ধ কৰি দিয়াৰ বিষয়ে বিশেষ গুৰুত্ব আৰোপ কৰা হয়। এই সন্দৰ্ভত চুবুৰীয়া সীমান্তবৰ্তী ৰাজ্যসমূহক হিংসা আৰু প্ৰলোভনমুক্ত নিৰ্বাচন সুনিশ্চিত কৰাৰ ক্ষেত্ৰত নিৰ্বাচন হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক সহায় কৰাৰ বাবে যথাসম্ভৱ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়া হয়।

নিৰ্বাচন আয়োগে নিৰ্বাচন হ'বলগীয়া ৫খন ৰাজ্যৰ লগতে এই ৰাজ্যকেইখনৰ ১২ খন চুবুৰীয়া ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য সচিব, মুখ্য নিৰ্বাচনী বিষয়া, আৰক্ষী সঞ্চালক প্ৰধান তথা জ্যেষ্ঠ বিষয়াসকলৰ সৈতে আজি পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত নিৰ্বাচনী প্ৰস্তুতি, সমন্বয় বৃদ্ধি আৰু হিংসা-ভাবুকি-প্ৰলোভনমুক্ত ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ বাবে পৰিস্থিতিৰ পৰ্যালোচনা কৰা হয়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে নিৰ্বাচন আয়ুক্ত ডঃ এছ এছ সান্ধু, আৰু ডঃ বিবেক যোশীৰ সৈতে বিধানসভা নিৰ্বাচন হ'বলগীয়া অসম, কেৰালা, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ উপৰি উপ-নিৰ্বাচন হ'বলগীয়া অন্য ছখন ৰাজ্যৰ নিৰ্বাচনী প্ৰস্তুতি আৰু আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। বৈঠকত বিধানসভা নিৰ্বাচন হ'বলগীয়া ৰাজ্যকেইখনে প্ৰস্তুতি, আইন-শৃংখলাজনিত বিষয়, ব্যয় বলৱৎকৰণ আৰু কেন্দ্ৰীয় সংস্থা তথা চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে থকা উদ্বেগজনক বিষয় সম্পৰ্কে অৱগত কৰে।

কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদ, কেন্দ্ৰীয় পৰোক্ষ কৰ আৰু সীমা শুল্ক পৰিষদ, বিধি বলবৎকাৰী সঞ্চালকালয়, উপকূলৰক্ষী বাহিনী, আছাম ৰাইফলছ আৰু অন্য সংস্থাসমূহৰ মুৰব্বীসকলক আন্তঃৰাজ্যিক চকীসমূহত চোকা নজৰ ৰাখিবলৈ আৰু নিৰ্বাচন হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত সীমামূৰীয়া এলেকাত সতৰ্কতা বৃদ্ধি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ উপৰি মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰো, আয়কৰ বিভাগ, কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ আৰু ৰাজহ চোৰাংচোৱা সঞ্চালকালয়সহ কেন্দ্ৰীয় সংস্থাসমূহক নিৰ্বাচনৰ পূৰ্বে প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিবলৈ কোৱা হৈছে।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ভৱানীপুৰ-সৰভোগ সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ প্ৰায় ২৫ কিলোমিটাৰ জোৰা জন আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে গৰখীয়া গোসাঁই থানত সেৱা আগবঢ়াই নিৰ্বাচনী প্ৰচাৰ সুকলমে সমাপন কৰিবলৈ আশীৰ্বাদ লয়।

মাজুলী বিধানসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভুবন গামৰ হৈ দলটোৰ জ্যেষ্ঠ নেতা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে চাৰিখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। দলীয় কাৰ্যকৰ্তাসকলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এনেদৰে কয় -

বাইট (পেগু)

অহা ২৯ মাৰ্চত মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মাজুলীলৈ যোৱাৰ সম্ভাৱনা আছে।

গোৱালপাৰা জিলাত আজি জিলাখনৰ চাৰিটা বিধানসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থীৰ হৈ মন্ত্ৰী আৰু জ্যেষ্ঠ বিজেপি নেতা অশোক সিংহালে তিনিখন ঠাইত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। গোৱালপাৰাৰ পশ্চিম বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী পবিত্ৰ ৰাভা আৰু দুধনৈ সমষ্টিত টংকেশ্বৰ ৰাভাৰ হৈ শ্ৰীসিংহালে নিৰ্বাচনী প্ৰচাৰ চলায়।

একেদৰে, কংগ্ৰেছৰ নেতাসকলেও ৰাজ্যৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ জ্যেষ্ঠ নেতা ৰিপুন বৰা, দেৱব্ৰত শইকীয়া আৰু মীৰা বৰঠাকুৰেও নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ লয়। ইতিমধ্যে নিৰ্বাচনৰ বাবে দলটোৱে ৪০জনীয়া তাৰকা প্ৰচাৰকৰ নাম ঘোষণা কৰিছে। এই তালিকা অনুযায়ী মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধী, কে চি বেনুগোপাল, প্ৰিয়ংকা গান্ধী ভাদ্ৰা, জিতেন্দ্ৰ সিং, শচীন পাইলট, মনোজ চৌহানকে ধৰি দলটোৰ শীৰ্ষ আৰু গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় নেতাসকলৰ উপৰি সাংসদ আৰু যোৰহাট সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈ, দেৱব্ৰত শইকীয়া, পৱন সিং ঘাটোৱাৰ, প্ৰদ্যুৎ কুমাৰ ভূঞাকে ধৰি ভালেকেইজন ৰাজ্যিক নেতাই দলটোৰ নিৰ্বাচনী প্ৰচাৰ চলাব। কংগ্ৰেছৰ সূত্ৰই প্ৰকাশ কৰা মতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এ আই চি চিৰ এই শীৰ্ষ নেতাসকলে দলটোৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ লগতে ৰাহুল গান্ধীয়ে নিৰ্বাচনী ইস্তাহাৰ উন্মোচন কৰিব। এই সন্দৰ্ভত দলৰ মুখপাত্ৰ বেদব্ৰত বৰাই এইদৰে কয়-

বাইট

কামৰূপ জিলাৰ হাজো-শুৱালকুছি বিধানসভা সমষ্টিত বিজেপি দলৰ নিৰ্বাচনী সভাত এন ডি এ সমৰ্থিত প্ৰাৰ্থী অগপৰ প্ৰকাশ দাসৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলোৱা হয়। বাক্সা জিলাত ইউ পি পি এল দলৰ প্ৰাৰ্থী জৌশ্ৰাং ব্ৰহ্মৰ হৈ দলটোৰ প্ৰধান প্ৰমোদ বড়োৱে আজি নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰৰ অন্তত সাংবাদিকৰে হোৱা বাৰ্তালাপত শ্ৰীবড়োৱে ইউ পি পি এল দলে ৰাইজৰ সেৱাৰ কাৰণে কাম কৰি আহিছে বুলি মন্তব্য কৰি বি টি চিৰ ১৫টা সমষ্টিৰ ভিতৰত ১২টাতে দলটোৱে জয়লাভ কৰাৰ সম্ভাৱনা আছে বুলি দাবী কৰে।

বাইট (প্ৰমোদ বড়ো)

০০০০০০

আজি বিশ্ব যক্ষ্মা ৰোগ দিৱস। এই ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ লগতে বিশ্বৰ পৰা এই সংক্ৰামক ৰোগক নাইকিয়া কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ২৪ মাৰ্চত এই দিৱস পালন কৰি অহা হৈছে। ডঃ ৰবাৰ্ট কখে ১৮৮২ চনত যক্ষ্মা ৰোগৰ বেক্টেৰীয়া আৱিষ্কাৰ কৰিছিল আৰু তাৰ স্মৰণতে এই দিৱস পালন কৰি অহা হৈছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব যক্ষ্মা ৰোগ দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। কোকৰাঝাৰৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত আজি এই ৰোগৰ বিৰুদ্ধে সজাগতা অভিযান অনুষ্ঠিত হয়। মৰিগাঁও জিলাত আজি যক্ষ্মামুক্ত ভাৰত অভিযানৰ অংশ হিচাপে জিলা প্ৰশাসনে এশ দিনীয়া যক্ষ্মা নিৰ্মূল অভিযানৰ শুভাৰম্ভ কৰে। পবিতৰা হাট প্ৰেক্ষাগৃহত আজি এই দিৱস উদযাপন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে জিলা স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰাই দুখন নিক্ষয় বাহন মুকলি কৰে। এই বাহনখন ৰোগীৰ যতন আৰু চিনাক্তকৰণ কাৰ্য ৰূপায়ণৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ গোচৰ পৰিচালনাৰ বাবে ৰাজ্য চৰকাৰে জিলা আৰু ছেছন ন্যায়াধীশ শৰ্মিলা ভূঞাৰ নেতৃত্বত বিশেষ ফাষ্টট্ৰেক আদালত গঠন কৰিছে। কেবিনেট সিদ্ধান্ত আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মহাপঞ্জীয়কৰ পৰা লাভ কৰা পত্ৰৰ ভিত্তিত বাক্সা জিলাৰ জিলা আৰু ছেছন ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা শ্ৰী ভূঞাক এই ফাষ্টট্ৰেক আদালতৰ দায়িত্ব প্ৰদান কৰি আজি ৰাজ্য চৰকাৰৰ ন্যায় বিভাগে এখন অধিসূচনা জাৰি কৰে। এই বিশেষ আদালতখনে জনতাৰ শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ দৈনিক শুনানি গ্ৰহণ কৰিব। এই আদালতৰ কাৰ্যপন্থা প্ৰথম শুনানিৰ পৰা এবছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০০

দক্ষিণ আফ্ৰিকাত হ'বলগীয়া দ্বি-দেশীয় টি-২০ শৃংখলাৰ বাবে নিৰ্ধাৰিত ভাৰতীয় দললৈ অসমৰ উমা চেত্ৰী নিৰ্বাচিত হৈছে। পাঁচখনীয়া খেলৰ এই শৃংখলালৈ ৰাজ্যৰ বিশ্বকাপ জয়ী খেলুৱৈগৰাকীৰ নিৰ্বাচনত অসম ক্ৰিকেট সন্থাই গৌৰৱ অনুভৱ কৰিছে বুলি জানিবলৈ দিয়ে। সন্থাৰ তৰফৰ পৰা সম্পাদক সনাতন দাসে জাৰি কৰা এখন প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে খেলুৱৈগৰাকীয়ে শৃংখলাটোত ভাল প্ৰদৰ্শন কৰিবলৈ শুভেচ্ছা প্ৰদান কৰে। অহা ১৭, ১৯, ২২, ২৫ আৰু ২৭ এপ্ৰিলত এই খেলকেইখন অনুষ্ঠিত হ'ব।

০০০০০০০০

**সমাপ্ত**